**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 02-June-2026 **Time :** 0755 Hrs.

ৰাজ্যত অহা ২ আগষ্টত আৰম্ভ হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকপিয়লৰ বাবে জিলাই জিলাই ইতিমধ্যে গৃহ তালিকা আৰু গৃহ পিয়ল সম্পৰ্কীয় প্ৰশিক্ষণ চলি আছে। ডিব্ৰুগড় আৰু চিৰাং জিলাত কালিৰে পৰা আসন্ন লোকপিয়লৰ বাবে তিনিদিনীয়া প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হৈছে। লোকপিয়লৰ প্ৰথম পৰ্যায়ৰ অধীনত গৃহ তালিকা আৰু গৃহ পিয়লৰ ধাৰণা, পদ্ধতি আৰু কাৰ্যকৰী নিৰ্দেশনাৰ সৈতে বিষয়াসকলক পৰিচিত কৰাৰ উদ্দেশ্যে এই প্ৰশিক্ষণৰ আয়োজন কৰা হৈছে। ডিব্ৰুগড় জিলাত কালি অনুষ্ঠিত প্ৰশিক্ষণত জিলাখনৰ সম-জিলা আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, ৰাজহ চক্ৰ বিষয়াকে ধৰি অন্যান্য বিষয়াসকলো অংশগ্ৰহণ কৰে। আনহাতে চিৰাং জিলাখনক ছটা লোকপিয়ল কেন্দ্ৰত বিভক্ত কৰা হৈছে। ইয়াৰে বিজনী, ছিদলী আৰু বেংতল গ্ৰামাঞ্চলক সামৰি লোৱাৰ বিপৰীতে বিজনী, বাসুগাঁও আৰু কাজলগাঁৱে চহৰ অঞ্চলক সামৰি লৈছে।

উল্লেখযোগ্য যে ৰাজ্যত আসন্ন লোকপিয়ল সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোকপিয়ল সঞ্চালকালয়ে সকলো ধৰণৰ প্ৰাৰম্ভিক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ইয়াৰ বাবে ইতিমধ্যে ৮৫ হাজাৰ গণনাকাৰী বিষয়া নিয়োগ কৰা হৈছে। ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ জন গণনা কৰিব। এই প্ৰক্ৰিয়া ১৫ ছেপ্তেম্বৰ পৰ্যন্ত চলিব। এইবাৰৰ লোকপিয়লত স্ব-গণনাৰো বিকল্প ব্যৱস্থা কৰা হৈছে। লোকপিয়লত জনসাধাৰণে ১৬টা ভাষাত তথ্য দিব পাৰিব।

০০০০০০০

অহা ৫ জুনত অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। খানাপাৰাৰ জ্যোতিবিষ্ণু সাংস্কৃতিক প্ৰেক্ষাগৃহত এই শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হ'ব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন দিল্লীত সাক্ষাৎ কৰাৰ পাছতে এই কথা ঘোষণা কৰে।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি ডিব্ৰুগড় জিলাৰ টিংখাং বিধানসভা সমষ্টিৰ অন্তৰ্গত হলৌগুড়ি গাঁৱৰ সাতগৰাকী কৃষকে সমূহীয়াভাৱে কৰা পান-১৮ আৰু আষ্টা-৬৮ জাতৰ ধানখেতি পৰিদৰ্শন কৰে। সেউজীয়া পথাৰত উপস্থিত হৈ কৃষক আৰু দাৱনীসকলৰ সৈতে মত বিনিময় কৰি তেওঁলোকৰ পৰিশ্ৰম, নিষ্ঠা আৰু আধুনিক কৃষি পদ্ধতিৰ প্ৰতি থকা আগ্ৰহৰ পৰা বিশেষভাৱে অনুপ্ৰাণিত হোৱা বুলি তেওঁ উল্লেখ কৰে। শ্ৰী সোণোৱালে কয়, যে ৰাজ্যৰ কৃষকৰ উন্নতিৰ মাজতে অসমৰ সমৃদ্ধি নিহিত হৈ আছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে কৃষি আৰু কৃষকৰ উন্নতি সাধনত গুৰুত্ব দিছে বুলি উল্লেখ কৰি শ্ৰী সোণোৱালে কয়, যে কৃষকৰ সমৃদ্ধিয়ে শক্তিশালী অসমৰ ভেটি আৰু কৃষি ক্ষেত্ৰৰ উন্নয়নেই গ্ৰাম্য অৰ্থনীতিৰ মূল চালিকা শক্তি। পৰিশ্ৰমী কৃষকসকলে আত্মনিৰ্ভৰ আৰু বিকশিত অসম গঢ়াৰ সপোনক অধিক শক্তিশালী কৰি তুলিছে বুলি তেওঁ উল্লেখ কৰে। পৰিদৰ্শন কালত মন্ত্ৰীগৰাকীৰ সৈতে স্থানীয় বিধায়ক বিমল বৰা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ন বৰুৱা, ডিব্ৰুগড় পৌৰ নিগমৰ উপ-মেয়ৰ উজ্জ্বল ফুকন আৰু বহু কেইগৰাকী দলীয় নেতা-কৰ্মী উপস্থিত থাকে।

০০০০০০০

শ্ৰীভূমি চহৰৰ বিভিন্ন দীৰ্ঘদিনীয়া নাগৰিক সমস্যাৰ সমাধানৰ লক্ষ্যৰে কালি জিলা আয়ুক্ত কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিবেদীৰ অধ্যক্ষতাত অনুষ্ঠিত এই সভাত শ্ৰীভূমি চহৰৰ জৰাজিৰ্ণ বাট-পথ, ক্ৰমবৰ্ধিত যান-জঁট, পানী নিষ্কাষণ ব্যৱস্থাৰ ত্ৰুটি আদিকে ধৰি বিভিন্ন সমস্যা সন্দৰ্ভত বিস্তৃত

আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে সভাত এই সমস্যাসমূহৰ দ্রুত আৰু স্থায়ী সমাধানৰ বাবে প্রশাসন, জনপ্রতিনিধি আৰু সংশ্লিষ্ট সকলো পক্ষকে সমন্বয়েৰে কাম কৰিবলৈ আহ্বান জনায়। তেওঁ কয়, যে এখন উন্নত, পৰিষ্কাৰ আৰু সুশৃংখল চহৰ গঢ়ি তুলিবলৈ প্রশাসনিক পদক্ষেপৰ লগতে নাগৰিকৰ সক্রিয় সহযোগিতা আৰু সচেতন অংশগ্রহণো অত্যন্ত গুৰুত্বপূর্ণ। সভাত জিলাখনৰ ভালেকেইগৰাকী বিশিষ্ট নাগৰিক, উত্তৰ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক জাকাৰিয়া আহমেদ, পাথাৰকান্দি সমষ্টিৰ বিধায়ক কৃষ্ণেন্দু পাল, দক্ষিণ কৰিমগঞ্জ সমষ্টিৰ বিধায়ক আমিনুৰ ৰছিদ চৌধুৰী, জিলা বিজেপিৰ সভাপতি সঞ্জীৱ বণিক, জিলা কংগ্রেছৰ সভাপতি তাপস পুৰকায়স্থ আৰু বিভিন্ন বিভাগৰ শীর্ষ বিষয়াবর্গ উপস্থিত থাকে।

০০০০০০০

সমগ্র শিক্ষা অসমে তৃতীয়ৰ পৰা অষ্টম শ্রেণীৰ ছাত্র-ছাত্রীৰ বাবে নিয়মীয়া মান নিৰূপণ পৰীক্ষাৰ প্রথম পর্যায় অহা ৯ জুনৰ পৰা অনুষ্ঠিত হ'ব বুলি ঘোষণা কৰিছে। শৈক্ষিক বর্ষৰ আৰম্ভণিতে ছাত্র-ছাত্রীসকলৰ শিকনৰ মূল্যায়নৰ লক্ষ্যৰে এই মূল্যায়ন অনুষ্ঠিত কৰি অহা হৈছে। ইয়াৰ জৰিয়তে ছাত্র-ছাত্রীসকলৰ শিকনৰ ক্ষেত্রত হোৱা অসুবিধা আৰু এইক্ষেত্রত ল'বলগীয়া ব্যৱস্থাসমূহ নির্ধাৰণ কৰা হয়। সমগ্র শিক্ষা অসমৰ মিছন সঞ্চালকে জাৰি কৰা অধিসূচনা অনুসৰি তৃতীয়ৰ পৰা পঞ্চম শ্রেণীলৈ ৯ জুনৰ পৰা ১২ জুনলৈ পৰীক্ষা অনুষ্ঠিত হোৱাৰ বিপৰীতে ষষ্ঠ শ্রেণীৰ পৰা অষ্টম শ্রেণীলৈ ১৬ জুনত মান নিৰূপণ পৰীক্ষা অনুষ্ঠিত হ'ব।

০০০০০০০

বিশ্ব ঐতিহ্য ক্ষেত্র কাজিৰঙা ৰাষ্ট্রীয় উদ্যানে ইক' শ্বপৰ মাধ্যমেৰে ২০২৫-২৬ বর্ষত ১ কোটি ৮৭ লাখ টকাৰ সামগ্রী বিক্রী কৰে। ২০২৪-২৫ বর্ষত এই বিক্রীৰ পৰিমাণ আছিল ১ কোটি ২৪ লাখ টকা। উল্লেখযোগ্য যে ৰাষ্ট্রীয় উদ্যানখনত এমাজন আৰু চৰকাৰী ই-মার্কেট প্লেচত ইয়াৰ বহুল প্রচাৰিত ইক' শ্বপ মুকলি কৰিছে। প্রান্তীয় সম্প্রদায়ৰ লোকসকলৰ দ্বাৰা স্থানীয়ভাৱে তৈয়াৰী জৈৱ-বৈচিত্র্য সম্পর্কিত সামগ্রীসমূহ এখন বহল বজাৰৰ জৰিয়তে বিশ্বৰ বিভিন্ন দেশলৈ লৈ যোৱাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। এই ই-মার্কেট প্লেচে কাজিৰঙাৰ সমৃদ্ধ ঐতিহ্য বহন কৰাৰ লগতে দাঁতিকাষৰীয়া গাঁৱৰ শিল্পী আৰু উৎপাদক গোটসমূহৰ বাবে এখন শক্তিশালী বজাৰ সৃষ্টি কৰিব বুলি আশা কৰা হৈছে। কাজিৰঙা ষ্টাফ ৱেলফেয়াৰ ছ'চাইটীয়ে পৰিচালনা কৰা এই ইক' শ্বপসমূহে আৰম্ভণিৰ দুবছৰৰ ভিতৰতে আশানুৰূপ অগ্রগতি লাভ কৰা পৰিলক্ষিত হৈছে।

০০০০০০০

**সমাপ্ত**